অধ্যায় ৪ ঃ ৰূপতত্ত্ব — সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপতত্ত্ব বুলি ক'লে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- ভাষাৰ ৰূপতাত্ত্বিক দিশ — আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ বিশদ পৰিচয় লাভ কৰিব
- শব্দ(word)ৰ শ্ৰেণীবিভাজন সম্পৰ্কে জানিব পাৰিব
- অক্ষৰ(syllable)ৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- ৰূপতত্ত্বৰ অন্তৰ্গত বিষয়বোৰ শ্ৰেণী বিভাজন কৰি দেখুৱাব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ কিছু দিশ বিশদভাৱে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি ভাষাৰ ধ্বনিতত্ত্ব (Phonology) আৰু বাক্যতত্ত্ব (Syntax)ৰ মাজৰ সংযোগ সেতু স্বৰূপ ৰূপতত্ত্ব (Morphology)ৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ উপৰি অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিচাৰ-বিশ্লেষণৰ অত্যাৱশ্যকীয় উপাদানবোৰৰ বিষয়ে এটি চমু আলোচনা উপস্থাপন কৰিম।

অসমীয়া 'ৰূপতত্ত্ব' শব্দগুচ্ছ ইংৰাজী Morphology শব্দৰ প্ৰতিশব্দৰূপে ব্যৱহাৰ হৈ আহিছে। কোনো কোনোৱে 'ৰূপতত্ত্ব'-ৰ সলনি 'প্ৰাকৃতিবিজ্ঞান', 'ৰূপগ্ৰামবিজ্ঞান' আদি শব্দও প্ৰয়োগ কৰিছে। সি যি কি নহওক ব্যৱহাৰৰ আধিক্যলৈ লক্ষ্য কৰি ইয়াত আমি 'ৰূপতত্ত্ব' শব্দগুচ্ছকে প্ৰাধান্য দিম। 'ৰূপতত্ত্ব' হ'ল শব্দ তথা পদ-গঠনৰ মৌলিক উপাদানবোৰৰ প্ৰণালীবদ্ধ বিৱৰণ। আমাৰ পঢ়াশলীয়া ব্যাকৰণবোৰত শব্দ-গঠন প্ৰক্ৰিয়া সম্বন্ধে যি আলোচনা পোৱা যায়, আধুনিক ভাষাবিজ্ঞানত তেনে বিষয়ৰ বিচাৰ-বিশ্লেষণকে 'ৰূপতত্ত্ব' আখ্যা দিয়া হৈছে।

অসমীয়া ভাষাৰ শব্দ তথা পদ-গঠনৰ সমস্ত প্ৰক্ৰিয়াটোক 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' বুলিব পাৰি। অসমীয়া ভাষাত ব্যৱহাৰ হৈ থকা বিভিন্ন শব্দ; যেনে — বিশেষ্য, বিশেষণ, সর্বনাম, ক্ৰিয়া, ক্ৰিয়া-বিশেষণ, অব্যয় আদিৰ শ্ৰেণীবিভাজন; কাৰক, বচন, লিঙ্গ, পুৰুষ, কাল, দশা, প্ৰত্যয়, বিভক্তি আদিৰ পুংখানুপংখ বিচাৰ-বিশ্লেষণ 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব'ৰ অন্তৰ্গত। উল্লিখিত এই বিষয়বোৰৰ প্ৰায় প্ৰতিটোৱেই সুকীয়া অধ্যায়ত বহলাই আলোচনা কৰা হ'ব বাবে এই অধ্যায়ত কেৱল 'ৰূপতত্ত্ব'ৰ কেইটামান দিশৰ সাধাৰণ আভাস এটিহে দাঙি ধৰা হ'ব।

৪.৩ ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

'ৰূপতত্ত্ব' হ'ল ভাষাৰ শব্দ-গঠন-প্ৰক্ৰিয়াৰ শৃঙ্খলাবদ্ধ বিৱৰণ। ই ভাষাবিজ্ঞানৰ অন্তৰ্গত এটি বিশেষ বিষয়। ভাষাৰ ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজত ই সংযোগ সেতুৰ দৰে কাম কৰে। অসমীয়া ভাষাত 'ৰূপতত্ত্ব' শব্দগুচ্ছ ইংৰাজী Morphology-ৰ প্ৰতিশব্দৰূপে ব্যৱহাৰ হৈ আহিছে। মূলতঃ জীৱবিদ্যাৰ পৰা আহৰিত ইংৰাজী ভাষাৰ এই পাৰিভাষিক শব্দটোৱে ঊনবিংশ শতাব্দীৰ মধ্যভাগৰ পৰা ভাষাৰ শব্দ-গঠন-প্ৰক্ৰিয়াৰ অন্তৰ্গত মৌলিক উপাদানসমূহৰ বিচাৰ-বিশ্লেষণকো বুজাবলৈ লয়। প্ৰাণী বিজ্ঞানত জীৱকোষৰ গঠন বুজাবলৈ Morphology শব্দৰ ব্যৱহাৰ ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই হৈ আহিছে। ১৮৩০ চনৰ *Oxford English Dictionary*-য়ে প্ৰথমে ইয়াক এই অৰ্থতে সামৰিছে। ইয়াৰ কিছু বছৰৰ পাচতহে ভাষা বিজ্ঞানত 'শব্দৰ ৰূপৰ অধ্যয়ন' বুজাবৰ কাৰণে Morphology শব্দৰ ব্যৱহাৰ কৰিবলৈ লোৱা হয়। ইংৰাজী Morphology শব্দটো আকৌ গ্ৰীক ভাষাৰ পৰা অহা আৰু ই জার্মান Formaniehre (the study of forms) শব্দৰ সমান্তৰাল।

'ৰূপ' আৰু 'তত্ত্ব' এই দুটা শব্দৰ সংযোগত 'ৰূপতত্ত্ব' শব্দটো গঠিত হৈছে। ভাষাবিজ্ঞানৰ পৰিসীমাত 'ৰূপ' মানে 'আকাৰ' বা 'আকৃতি' (Form, Morph)। সাধাৰণভাৱে ক'বলৈ গ'লে 'আকাৰ' বা 'আকৃতি' হ'ল ভাষা একোটাহঁতত ব্যৱহৃত আৰু আমাৰ সকলোৱে জ্ঞাত শব্দসমূহ। গতিকে 'ৰূপতত্ত্ব'-ই ভাষা বিশেষৰ শব্দসমূহৰ গঠন-প্ৰণালীক বুজায়। ভাষাবিজ্ঞানৰ আলোচনাত Morph এটা নতুন শব্দ। ধ্বনিতত্ত্বৰ আলোচনাত 'ধ্বনি' যেনেদৰে মূল উপাদান, ৰূপতত্ত্বৰ আলোচনাত তেনেদৰে 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়। ভাষাবিদ E. A. Nida-ই তেওঁৰ *Morphology* (1957) গ্ৰন্থত ৰূপতত্ত্ব সংজ্ঞা দিছে এনেদৰে— 'Morphology is the study of Morpheme and their arrangement in forming words' ব্লুমফিল্ডৰ মতে, অংগবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ বিশ্লেষণেই ৰূপতত্ত্ব। ৰূপতত্ত্বত শব্দ গঠনৰ প্ৰত্যয়বোৰৰ লগতে পদৰ লগত সম্পৰ্কিত কিছু কথাও আলোচনা কৰা হয়। বহুতে ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজত স্পষ্ট সীমাৰেখা টানিব খোজে। কিন্তু ৰূপতত্ত্বৰ আলোচনাত বাক্যতত্ত্বৰ প্ৰসংগও আহি পৰে। ৰূপতাত্ত্বিক বিশ্লেষণ বিভিন্ন ভাষাবিজ্ঞানীয়ে বিভিন্ন ধৰণে কৰা দেখা যায়। ৰূপসমূহৰ বিস্তৃতি বা প্ৰসাৰ সম্পৰ্কে শব্দত ৰূপসমূহৰ ভিন্নতা, শব্দত ৰূপ

সংস্থাপনৰ ভূমিকা, শব্দ আৰু ৰূপসমূহৰ সম্পৰ্কৰ পৰ্যবেক্ষণ আদি কথাবোৰ ৰূপতাত্ত্বিক বিশ্লেষণে সামৰি লয়।

ৰূপতত্ত্বৰ পৰিসৰ অতি ব্যাপক। ইয়াত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি সীমিত সংখ্যক বাগ্‌ধ্বনিৰ পৰা ধ্বনিৰ সংযোগ কৰাই ৰূপৰ গঠন কৰা হয়। এই ৰূপ গঠন প্ৰক্ৰিয়া ভাষা ভেদে বেলেগ বেলেগ আৰু ই জটিল। ভাষা ভেদে বদ্ধৰূপবোৰ মূল ৰূপৰ আগত, পিছত বা মাজত যোগ হয়। কিছুমান ভাষাত আকৌ বদ্ধৰূপবোৰ মূল ৰূপৰ পৰা বিশ্লেষণ কৰি উলিওৱা বৰ জটিল, আনহাতে কিছুমান ভাষাত বদ্ধৰূপবোৰ স্পষ্টভাৱে দেখা পোৱা যায়। এই বদ্ধৰূপবোৰে শব্দ সাধন আৰু পদ সাধনত কেনে কাৰ্য সাধন কৰে সেই কথা ৰূপতত্ত্বত আলোচনা কৰা হয়। আকৌ লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

পৰম্পৰাগতভাৱে চলি অহা ব্যাকৰণগত আলোচনাত 'শব্দ'-ক 'অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টি' বোলা হৈছে আৰু ই ইংৰাজী Word শব্দৰ প্ৰতিনিধিত্ব কৰি আহিছে। এই শব্দবোৰ যেতিয়া বিভক্তিযুক্ত হৈ বাক্যত ব্যৱহাৰ হয় তেতিয়া সিবোৰে 'পদ' নাম পায়। ভাষা এটাত ব্যৱহাৰ হোৱা পদবিলাক ন্যূনতম অৰ্থবিশিষ্ট খণ্ডলৈ ভাঙি উলিয়ালে আমি যিবোৰ উপাদান পাম সেইবিলাককে ভাষাবিজ্ঞানত 'ৰূপ' বা 'আকৃতি' বোলা হয়। আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে এই আলোচনাৰ পৰৱৰ্তী অংশত আমি 'ৰূপ' আৰু 'আকৃতি' দুয়োটা শব্দ তেনে অৰ্থত ব্যৱহাৰ কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰূপতত্ত্ব (Morphology) শব্দটো মূলতঃ কোন বিদ্যাৰ পৰা আহৰিত?

.....


- **ৰূপ বা আকৃতি (Morph) ঃ** ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত ক্ষুদ্ৰতম অৰ্থবহ গোটক ৰূপ বা আকৃতি (Morph) বোলা হয়। ৰূপ হ'ল ভাষা এটাৰ ৰূপতত্ত্বৰ মূল আধাৰ। উদাহৰণস্বৰূপে ইংৰাজী ভাষাত 'i' এটা ধ্বনিৰে গঠিত ৰূপ। আকৌ 'the' তিনিটা ধ্বনিৰে গঠিত ৰূপ। দুয়োটাৰে নিজা অৰ্থ আছে। সাধাৰণতে এটাতকৈ অধিক বৰ্ণৰে ৰূপ গঠিত হয়। ৰূপবোৰক দুটা ভাগত ভগাব পাৰি মুক্তৰূপ আৰু বদ্ধৰূপ। যিবোৰ ৰূপ উচ্চাৰণ বা উল্লেখ কৰাৰ লগে লগে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ পায়, সেইবোৰক মুক্তৰূপ (Free Morph) বোলে। যেনে— অসমীয়া ভাষাৰ চৰাই, হাতী, মানুহ, পথ, গাড়ী, জাহাজ, সোণ, ৰূপ, চন্দ্ৰ, তৰা ইত্যাদিবোৰ মুক্তৰূপ। ইহঁতৰ উচ্চাৰণৰ লগে লগে অৰ্থ প্ৰকাশ পায়।

  আন এটা কথা যে মুক্তৰূপবোৰ বাক্যত অকলে প্ৰয়োগ হ'ব পাৰে। আকৌ যিবোৰ ৰূপ অকলে উল্লেখ বা উচ্চাৰণ কৰিলে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ নাপায়, কোনো মুক্তৰূপৰ আগত, পিছত বা মাজত অথবা যি কোনো এটা মুক্ত ৰূপৰ লগত সংযুক্ত হ'লেহে সিহঁতৰ

অর্থ প্রকাশ পায়, তেনেবোৰ ৰূপকে বদ্ধৰূপ (Bound Morph) বোলে। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ Unable, Weekly শব্দক অর্থৰ প্রতি খণ্ডিত কৰিলে পাওঁ Un-able, Week-ly। ইয়াত Un- আৰু -ly হ'ল বদ্ধৰূপ। ইহঁত মূল ৰূপ বা মুক্তৰূপ -able আৰু week-ৰ লগত লগ লাগিহে অর্থ প্রকাশ কৰিছে।

মুক্তৰূপবোৰক আকৌ দুটা ভাগত ভগোৱা হৈছে — শব্দগত (Lexical) আৰু কার্যগত (Functional)। সাধাৰণতে ভাষাৰ বিশেষ্য, বিশেষণ, ক্রিয়া আদিক শব্দগত শ্রেণীৰ আৰু সংযোজক, অব্যয় আদিক কার্যগত শ্রেণীৰ মুক্তৰূপ বুলি ধৰা হয়। একেদৰে বদ্ধৰূপবোৰো দুভাগত বিভক্ত — সাধনাত্মক (Derivational) আৰু ৰূপাত্মক (Inflectional)। সাধনাত্মক বদ্ধৰূপবোৰৰ সহায়ত শব্দমূল বা ধাতুমূলৰ পৰা ভিন্ ভিন্ অর্থসূচক নতুন নতুন শব্দ গঠন কৰিব পাৰি; যেনে— খেত্ + ই = খেতি, খেত্ + ই + অক্ = খেতিয়ক; বাজ্ + অনা = বাজনা ইত্যাদি। ইয়াৰ বিপৰীতে ৰূপাত্মক বদ্ধৰূপবোৰে শব্দৰ ব্যাকৰণগত কার্য নিষ্পন্ন কৰে, বা আন কথাত সাধাৰণভাৱে ব্যৱহাৰ হৈ থকা শব্দসমূহক পদলৈ ৰূপান্তৰিত কৰি বাক্যত সিবোৰৰ স্থান নির্দেশ কৰে। সাধনাত্মক বদ্ধৰূপ বোৰ প্রত্যয় (Derivatives) আৰু ৰূপাত্মক বদ্ধৰূপবোৰ বিভক্তি (Inflectives) ৰূপে জনাজাত। ৰূপ ৰ উল্লিখিত ভাগবোৰ ৰেখাচিত্রৰ সহায়ত এনেদৰে দেখুৱাব পাৰি —

চিত্র ৪.১ ঃ ৰূপ বা আকৃতিৰ ভাগ



পৰম্পৰাগত ব্যাকৰণত মুক্তৰূপক প্রাতিপদিক আৰু ধাতু আৰু বদ্ধৰূপক বিভক্তি আৰু প্রত্যয়ৰূপে আলোচনা কৰা হয়।

ইংৰাজী Morph-ৰ প্রতিশব্দ হ'ল আকৃতি বা ৰূপ। আকৌ Morpheme-ৰ প্রতিশব্দ হ'ল প্রাকৃতি আৰু ৰূপগ্রাম। অসমীয়া প্রতিশব্দকেইটাই কেতিয়াবা অযথা খেলিমেলি লগোৱা পৰিলক্ষিত হয়। অসমীয়া 'ৰূপ' বুজাবলৈ Morph আৰু Morpheme ব্যৱহাৰ কৰা হৈছে যদিও দুয়োৰে মাজত পার্থক্য আছে। তেনেদৰে অসমীয়া ৰূপ আৰু প্রাকৃতি শব্দৰ মাজতো পার্থক্য আছে। প্রসিদ্ধ ভাষাবিজ্ঞানীসকলৰ এই ক্ষেত্রত কৰা আলোচনাতো Morpheme শব্দৰে প্রাকৃতি বা ৰূপ দুয়োকে একে অর্থ প্রয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে ৰূপ (প্রাকৃতিৰ) সংজ্ঞা বিভিন্ন ভাষাবিদে দিছে এনেদৰে—

- গ্লীচনৰ মতে, "Morphemes can be usually described as the smallest meaningful units in the structure of the language."

- নিডাৰ মতে, "Morphemes are the minimal meaningful units, which may constitute words or parts of words."
- হকেটৰ মতে, "Morphemes are the smallest individually meaningful elements in the utterances of a language."

উল্লিখিত সংজ্ঞাবোৰে প্ৰাকৃতিৰ প্ৰায় একেই বৈশিষ্ট্য উল্লেখ কৰিছে। অৰ্থাৎ প্ৰাকৃতি হ'ল ভাষা এটাৰ ক্ষুদ্ৰতম অৰ্থবহ একক গোট। প্ৰাকৃতি বা ৰূপ হ'বলৈ হ'লে কেতবোৰ বৈশিষ্ট্য থাকিব লাগিব। সেয়া হ'ল—

- ৰূপৰ এটা অৰ্থ থাকিব লাগিব।
- ৰূপবোৰ এটা বা ততোধিক ধ্বনিৰে গঠিত হ'ব লাগিব।
- ৰূপৰ মৰ্যাদা পোৱা গোটটোৰ লগত অন্য গোটৰ ধ্বনিগত বা অৰ্থগত সাদৃশ্য থাকিব নালাগিব।
- ৰূপবোৰ বাক্যত ব্যৱহাৰ হোৱাৰ ক্ষমতা থাকিব লাগিব।
- ৰূপবোৰ ক্ষুদ্ৰতম গোট হ'ব লাগিব।

উদাহৰণস্বৰূপে — 'আমি খেলোঁ'। এই বাক্যটোত 'আমি' আৰু 'খেলোঁ' দুটা শব্দ পালোঁ। 'আমি' মুক্ত ৰূপ, কিয়নো ই নিজে অৰ্থ প্ৰকাশ কৰিব পাৰিছে। 'খেলোঁ' শব্দক অৰ্থৰ দৃষ্টিৰে ভাগ কৰিলে পাওঁ— খেল্ আৰু ওঁ। খেল্ হ'ল ধাতু আৰু ইয়াৰ নিজা অৰ্থ আছে। -ওঁ-টোৱে বৰ্তমান কালৰ প্ৰথম পুৰুষৰ ব্যক্তিবাচক সৰ্বনাম 'আমি'-ৰ লগত সম্পৰ্ক স্থাপন কৰিছে। -ওঁ-ৰ অৰ্থ আছে। কিন্তু ই অকলে নবহে, ধাতু শব্দৰ লগতহে তাৰ প্ৰয়োগ হয়। আমি, খেল্, ওঁ তিনিওটাই ক্ষুদ্ৰতম গোট আৰু ইহঁতে বাক্য গঠনত প্ৰয়োগ হৈছে। সেয়ে এই তিনিটা একক গোট অৰ্থাৎ ৰূপ।

- **প্ৰাকৃতি (Morpheme)** ঃ প্ৰাকৃতি বা ৰূপ একেই বুলি আগৰ আলোচনাত উল্লেখ কৰি অহা হৈছে। কিন্তু ৰূপ আৰু প্ৰাকৃতিৰ মাজত পাৰ্থক্য বিদ্যমান। আকৃতি বা ৰূপৰ পৰাই প্ৰাকৃতি আৰু উপাকৃতি (allomorph) নিৰ্ণয় কৰা হয়। ভাষা এটাৰ বাক্যত ব্যৱহৃত পদবোৰৰ পৰা বিশ্লেষণৰ বাবে খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি উলিওৱা হয়। তাৰ পিছত একে অৰ্থবাচক ৰূপবোৰ শ্ৰেণীবদ্ধ কৰা হয়। এনেদৰে শ্ৰেণীবদ্ধ ৰূপবোৰৰ মাজত বিৰোধ আছেনে নাই অৰ্থাৎ একে পৰিবেশত ব্যৱহৃত হৈ অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন কৰিব পাৰিছেনে নাই বিশ্লেষণ কৰা হয়। বিৰোধ নথকা বদ্ধৰূপবোৰৰ সামূহিক গোট এটা কৰি তাৰ নাম দিয়া হয় প্ৰাকৃতি। গতিকে প্ৰাকৃতি এটা গোটৰহে নাম। প্ৰাকৃতি হ'ল অৰ্থগতভাৱে একে আৰু প্ৰয়োগৰ বিৰোধ নথকা আকৃতিৰ এটা শ্ৰেণীৰ নাম। (Morpheme is a class of morphs that are semantically similar. –E. A. Nida). উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ — books, glasses আৰু pens-ক অৰ্থৰ দৃষ্টিৰে খণ্ডিত কৰিলে book –s, glass –es আৰু pen –s পোৱা যায়। ইয়াত –s, –es আৰু –s-ৰ উচ্চাৰণ পৰিৱেশভেদে বেলেগ বেলেগ। ইয়াৰ প্ৰথমটো –s, দ্বিতীয়টো –iz আৰু তৃতীয়টো –z উচ্চাৰণ হয়। একে পৰিৱেশত এটাৰহে উচ্চাৰণ হয়, বাকী দুটাৰ হ'ব নোৱাৰে। গতিকে ইহঁতৰ মাজত বিৰোধ নাই। এই

তিনিওটা ইংৰাজী ভাষাৰ বহু বচনৰ বদ্ধৰূপ। ইহঁত একে অর্থবোধক আৰু ইহঁতৰ মাজত কোনো ধ্বনিগত সাদৃশ্য নাই। ইহঁত তিনিওটাৰে একেটা পৰিৱেশত এটাৰহে প্রয়োগ হ'ব, আন দুটাৰ প্রয়োগ হ'ব নোৱাৰে। এনে প্রয়োগক পৰিপূৰক প্রয়োগ বোলে।

এই আকৃতি তিনিটাৰ মাজত পৰিপূৰক প্রয়োগ ঘটে। ইহঁতক এটা গোট কৰি 'প্রাকৃতি' আখ্যা দিয়া হয়। প্রাকৃতিৰ অন্তর্ভুক্ত হোৱাৰ পিছত –s, –es আৰু –s প্রত্যেককে উপাকৃতি বোলা হ'ব। প্রাকৃতি বুজাবলৈ '/ /' চিন ব্যৱহাৰ কৰা হয়। উল্লিখিত প্রাকৃতিটোক আমি /s/ প্রাকৃতি বা /ইংৰাজী বহুবচনৰ প্রত্যয়/ নামেৰেও বুজাব পাৰো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ প্রাকৃতি বা ৰূপৰ বিভাগ দুটা কি কি?

.....

- **শব্দ (Word) ঃ** শব্দ বুলি ক'লে সাধাৰণতে কোনো ধ্বনিৰ (sound) কথাই মনলৈ আহে; যেনে— বতাহৰ শব্দ, ভৰিৰ খোজৰ শব্দ, চলন্ত গাড়ীৰ শব্দ ইত্যাদি। কেতিয়াবা আকৌ শব্দই শব্দমূলক বুজায়। যেনে— খা, যা, পঢ়, লিখ্, পানী, বতাহ, মানুহ, চৰাই ইত্যাদি। ইংৰাজী 'word' শব্দৰ অসমীয়া প্রতিশব্দ হ'ল 'শব্দ'। ইংৰাজীত stem আৰু base এই দুটা ৰূপো কেতিয়াবা word বুজাবলৈ ব্যৱহৃত হয়। গতিকে word কেতিয়াবা root আৰু কেতিয়াবা stem বা base হ'বও পাৰে। কিন্তু সেই বুলি root আৰু word একে নহয়। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ wall-clock এটা শব্দ। কিন্তু ইয়াৰ root দুটা wall আৰু clock।

  স্বাধীনভাৱে অর্থ প্রকাশ কৰা মূল ৰূপ বা প্রকৃতিবোৰক বহল অর্থত শব্দ বোলা হয়। সেই হিচাপত নাম প্রকৃতি, ধাতু-প্রকৃতি আৰু অব্যয় প্রকৃতিবোৰৰ প্রতিটোৱেই একোটা শব্দ। শব্দৰ অর্থ বুজিবলৈ হ'লে মানুহৰ ভাব-বিনিময় প্রক্রিয়াটোলৈ মন কৰিব লাগিব। মানুহে কথা কওঁতে মুখ অৱয়বৰ জৰিয়তে কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই সকলোবোৰ ধ্বনি একে সময়তে উচ্চাৰণ নকৰে। কিছুমান ধ্বনি মিলাই একোটা গোট বা সমষ্টি গঠন কৰে। কথা পাতোতে প্রতিটো গোট বা সমষ্টিৰ পাছত বিৰাম (pause) দি কথা কয়। বিৰাম আকৌ দীর্ঘ বিৰাম আৰু হ্রস্ব বিৰাম— দুই শ্রেণীত বিভক্ত। উদাহৰণ— বাঘটো/ হাবিত/ সোমাল/। উচ্চাৰণ কৰোতে তিনিটা বিৰাম দিয়া হয়। প্রথম দুটাত হ্রস্ব বিৰাম আৰু তৃতীয়টো দীর্ঘ বিৰাম। হ্রস্ব বিৰামৰ মাজত উচ্চাৰিত ধ্বনি সমষ্টিকে শব্দ (word) বোলা হয়।

  গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্রধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ বা স্বয়ংসিদ্ধ শব্দ (simple word বা root word) আৰু (খ) সাধিত বা যৌগিক (derived বা compound word) শব্দ।

  ➢ *মৌলিক শব্দ ঃ* যিবোৰ শব্দই স্বাধীনভাৱে অর্থপ্রকাশ কৰিব পাৰে আৰু যাক অর্থপূর্ণভাৱে

খণ্ডিত কৰিব নোৱাৰি তেনেবোৰেই মৌলিক শব্দ। ইংৰাজীত এনেবোৰ শব্দক 'simple stem' বোলা হয়। এনেবোৰ শব্দৰ গঠন প্ৰক্ৰিয়াও মৌলিক। মৌলিক শব্দৰ গঠনত আন কোনো মৌলিক শব্দ বা সৰ্গৰ ভূমিকা নাই। এইবোৰ স্বয়ংসিদ্ধ। উদাহৰণস্বৰূপে — অসমীয়া ভাষাৰ সকলোবোৰ নাম শব্দই মৌলিক শব্দ।

➢ *যৌগিক শব্দ ঃ* মৌলিক শব্দত বিভিন্ন সৰ্গ বা প্ৰত্যয় যোগ কৰি অথবা এটা মৌলিক শব্দত এটা মৌলিক বা সাধিত শব্দ সংযোগ কৰি যিবোৰ নতুন শব্দ গঠন কৰা হয়, সেইবোৰেই সাধিত শব্দ। সাধিত শব্দবোৰ অৰ্থপূৰ্ণভাৱে খণ্ড খণ্ড কৰিব পাৰি। উদাহৰণস্বৰূপে — তল + সৰা = তলসৰা, নৰক + অসুৰ = নৰকাসুৰ, প্ৰাক্ + বৈষ্ণৱ = প্ৰাক্‌বৈষ্ণৱ, শংকৰ + উত্তৰ = শংকৰোত্তৰ ইত্যাদি।

সাধিত শব্দবোৰ মুখ্যতঃ দুটা ভাগত ভগাব পাৰি ঃ প্ৰত্যয় নিষ্পন্ন (inflected words) আৰু সংযুক্ত বা সমস্ত শব্দ (compounded word)। যিবোৰ শব্দ কৃৎ, তদ্ধিৎ আৰু উপসৰ্গ যোগত সাধিত হয়, সেইবোৰেই প্ৰত্যয় নিষ্পন্ন শব্দ। যেনে— খাৱন (খা + অন্), শোৱন (শো + অন্), ধাননি (ধান + অনি) আওমৰণ (আও + মৰণ) ইত্যাদি। সংযুক্ত বা সমস্ত শব্দবোৰ ভিন্ন অৰ্থবিশিষ্ট দুটা মৌলিক শব্দৰ সংযোগত, এটা বদ্ধ ৰূপৰ লগত আন এটা প্ৰত্যয় নিষ্পন্ন সাধিত শব্দৰ যোগত অথবা দুটা সাধিত শব্দৰ যোগত সংযুক্ত শব্দবোৰ গঠন কৰা হয়। উদাহৰণ— হাত-লৰ, চকু-চৰহা, পেট-কুলি, কেৰ-মতালি, লেং-পেঙ্গীয়া, এৰা-ধৰা, ঘটং-মটং ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

.....

● **অক্ষৰ (Syllable) ঃ** এটা মাথোন হৃদস্পন্দনত উচ্চাৰিত ধ্বনি বা ধ্বনি সমষ্টিকে অক্ষৰ বোলে। অক্ষৰ শব্দৰ ইংৰাজী প্ৰতিশব্দ হ'ল syllable। অক্ষৰ হ'ল বৰ্ণৰ নিচিনাই উচ্চাৰণাত্মক গোট বা একক। উদাহৰণস্বৰূপে — অসমীয়া ব্যঞ্জন বৰ্ণমালাৰ কথা ক'ব পাৰি। ব্যঞ্জন বৰ্ণমালাৰ — ক, খ, গ, ঘ — প্ৰত্যেকেই একোটা অক্ষৰহে (syllable); কিয়নো ইহঁতৰ প্ৰত্যেকতে অ-স্বৰ যুক্ত হৈ থাকে। অ-স্বৰ যুক্ত হৈ ইহঁতে উচ্চাৰণৰ একক গোট একোটা অক্ষৰৰ সৃষ্টি কৰে। যেনে— ক - ক্‌অ, খ - খ্‌অ, গ - গ্‌অ, ঘ - ঘ্‌অ ইত্যাদি। অৰ্থাৎ ব্যঞ্জন বৰ্ণবোৰৰ আখৰবোৰত দুটাকৈ বৰ্ণ নিহিত হৈ থাকে। এটা ব্যঞ্জনবৰ্ণ আৰু আনটো স্বৰবৰ্ণ। অৰ্থাৎ ক, খ, গ, ঘ প্ৰত্যেকেই একোটা অক্ষৰ। অক্ষৰ হ'বলৈ হ'লে তাত এটা স্বৰধ্বনি থাকিবই লাগিব। এটা স্বৰধ্বনি অকলে এটা অক্ষৰ হ'ব পাৰে অথবা স্বৰযুক্ত একাধিক ব্যঞ্জন ধ্বনিয়েও এটা অক্ষৰ গঠন কৰিব পাৰে। অসমীয়া অনুজ্ঞাৰ ক্ৰিয়াৰূপ 'ধৰ' এটা অক্ষৰ (= ধৰ) মাথোন। কিন্তু 'ধৰা' দুটা অক্ষৰৰ সমষ্টি ঃ 'কৰ্' আৰু 'আ'। এটা শব্দত কিমান অক্ষৰ

থাকিব পাৰে তেনে কোনো ধৰা-বন্ধা নিয়ম নাই। এটা অক্ষৰো হ'ব পাৰে অথবা পাঁচ-ছটাও হ'ব পাৰে।

অক্ষৰ দুই প্ৰকাৰৰ— বিবৃত (open) আৰু সংবৃত্ত (close)। কোনোৱে ইয়াক মুক্ত (free) আৰু বাধাপ্ৰাপ্ত (checked) বুলিও কয়। এটা অক্ষৰ যদি স্বৰধ্বনিৰে শেষ হয় তেনে তাক বিবৃত অক্ষৰ (open) syllable) বোলে। আকৌ অক্ষৰ এটাৰ শেষত যদি এটা বা একাধিক ব্যঞ্জনধ্বনি থাকে তেন্তে সি সংবৃত অক্ষৰ।

- **প্ৰাকৃতি বা আকৃতিৰ চিনাক্তকৰণ (Identification of Morpheme) ঃ** প্ৰাকৃতি হ'ল অৰ্থগতভাৱে একে, প্ৰয়োগৰ বিৰোধ নথকা আকৃতিৰ এটা শ্ৰেণী — 'Morpheme is a class of morph that are simantically similar'। ভাষা এটাৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ মৌলিক একক হ'ল প্ৰাকৃতি।

আগেয়ে উল্লেখ কৰা হৈছে যে ভাষাবিজ্ঞানী অধিকাংশই morph আৰু morpheme-অৰ ব্যাখ্যা একে ধৰণে প্ৰদান কৰিছে। অৰ্থাৎ morph-অৰ যি বৈশিষ্ট্য সেয়া Morpheme-অৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছে। কিন্তু morph আৰু morpheme-অৰ মাজত পাৰ্থক্য বিদ্যমান। ইয়াত প্ৰাকৃতি বা আকৃতি চিনাক্তকৰণৰ ক্ষেত্ৰত, ভাষাবিজ্ঞানীসকলে আগবঢ়োৱা morpheme-অৰ সংজ্ঞাৰ ওপৰত ভিত্তি কৰি কেতবোৰ বৈশিষ্ট্য আগবঢ়োৱা হ'ল —

- ➢ প্ৰাকৃতি এক বা একাধিক বৰ্ণৰে গঠিত।
- ➢ প্ৰাকৃতি ৰূপতত্ত্বৰ প্ৰাথমিক একক।
- ➢ প্ৰাকৃতিবোৰৰ নিজা অৰ্থ থাকে।
- ➢ প্ৰাকৃতিবোৰৰ ইটোৰ লগত সিটোৰ প্ৰণালীবদ্ধভাৱে লগ হোৱাৰ ক্ষমতা থাকে।
- ➢ প্ৰাকৃতিবোৰ হ'ল ক্ষুদ্ৰতম একক।

প্ৰাকৃতি নিৰ্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অৰ্থবাহক ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। শ্ৰেণীবদ্ধ হোৱা ৰূপ বা আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। প্ৰয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে নে নোৱাৰে; অৰ্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়া গঠন কৰা ন-প্ৰাকৃতিটোৰ কথা ক'ব পাৰি। যেনে—

নহয়	ন - হ - য় (ই)
নাখায়	ন - খা - য় (ই)
নেখেলে	ন - খেল - এ
নুশুনে	ন - শুন্ - এ
নোশোৱে	ন - শো - এ

নিদিয়ে ন - দি - এ

ইয়াত নেতিবাচক বুজাবৰ কাৰণে (ন-, না-, নে-, নু-, নো-, নি-) এই ছটা ভিন্ ভিন্ বদ্ধৰূপ ব্যৱহৃত হৈছে। অৰ্থগতভাৱে ইহঁতৰ একেটাই মাথোন কাম আৰু সেইটো হৈছে নেতিবাচক অৰ্থ কৰা। ইহঁতৰ এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। ইহঁত পৰিপূৰক অৱস্থানত থকা বাবে ইহঁতক একোটা গোট কৰি প্ৰাকৃতি হিচাপে ধৰা হয়। এই প্ৰাকৃতিটো নামকৰণ কৰিব পাৰি (অসমীয়া নঞৰ্থক ক্ৰিয়াৰ বদ্ধৰূপ) বা (ন-) প্ৰাকৃতি। এই প্ৰাকৃতিটোৰ অন্তৰ্ভুক্ত বিভিন্ন ভাগসমূহক সেই প্ৰাকৃতিটোৰ উপাকৃতি বোলা হয়।

- **উপাকৃতি (Allomorph)** ঃ উপাকৃতি হ'ল প্ৰাকৃতি এটাৰ অন্তৰ্গত এটা আকৃতি বা ৰূপ। প্ৰাকৃতি নিৰ্ণয়ৰ প্ৰসংগত উপাকৃতিৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। ভাষা এটাত ব্যৱহৃত পদবোৰক প্ৰথমতে খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি বাচি উলিওৱা হয়। আকৃতি নিৰ্ণয়ৰ পাছত ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিশ্লেষণ কৰি সিহঁতক একোটা গোটত ভাগ কৰা হয়। এনে একোটা গোটক প্ৰাকৃতি আখ্যা দিয়া হয়। প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱা আকৃতিসমূহক সেই প্ৰাকৃতিটোৰ উপাকৃতি বোলা হয়। উপাকৃতি বুজাবলৈ [-] চিন ব্যৱহাৰ কৰা হয়। উদাহৰণ— সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, দেও। এইকেইটা সপ্তাহৰ বাৰৰ নাম। ইহঁত প্ৰত্যেকেই একোটা মুক্ত প্ৰাকৃতি। অৰ্থগতভাৱে ইহঁতৰ সাদৃশ্য আছে। ইহঁতৰ মাজত পৰিপূৰক প্ৰয়োগ হয়। ইহঁতক এটা শ্ৰেণীত আৱদ্ধ কৰা হ'ল— (সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, দেও)। লগে লগে ইহঁতে প্ৰাকৃতি নাম পালে। নতুবা আন নামে দিব পৰা যায়। যেনে— (সপ্তাহৰ বাৰৰ নাম)। এই প্ৰাকৃতিটোৰ অন্তৰ্ভুক্ত প্ৰতিটো আকৃতিয়েই এই প্ৰাকৃতিটোৰ উপাকৃতি। অৰ্থাৎ [সোম], [মঙ্গল], [বুধ], [বৃহস্পতি], [শুক্ৰ], [শনি] আৰু [দেও] প্ৰত্যেকেই একোটা উপাকৃতি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰাকৃতিৰ চিনাক্তকৰণ কিদৰে কৰিব পাৰি — চমুকৈ লিখক। (৮০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ 'ৰূপতত্ত্ব' হ'ল শব্দ তথা পদ-গঠনত প্ৰয়োগ হোৱা মৌলিক উপাদানবোৰৰ প্ৰণালীবদ্ধ বিৱৰণ। পাশ্চাত্য দেশৰ এচাম ভাষাতাত্ত্বিকে ৰূপতত্ত্বক ব্যাকৰণ (Grammar) -ৰূপেও অভিহিত কৰিছে।
- ৰূপতত্ত্বৰ আলোচনাত 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়।
- ৰূপতত্ত্বৰ পৰিসৰ ব্যাপক। ইয়াত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি সীমিত সংখ্যক বাগ্‌ধ্বনিৰ পৰা ধ্বনিৰ সংযোগ কৰাই ৰূপৰ গঠন কৰা হয়। এই ৰূপ গঠন প্ৰক্ৰিয়া ভাষা ভেদে বেলেগ বেলেগ আৰু ই জটিল।
- প্ৰাকৃতি বা ৰূপ হ'বলৈ হ'লে কেতবোৰ বৈশিষ্ট্য থাকিব লাগিব। সেই বৈশিষ্ট্যসমূহৰ পৰা ৰূপৰ বিষয়ে স্পষ্ট ধাৰণা আগবঢ়াব পাৰি। অধ্যায়টিত আমি শব্দ, অক্ষৰ, প্ৰকৃতি বা আকৃতিৰ চিনাক্তকৰণ কেনেদৰে কৰা হয় সেই বিষয়েও চমুকৈ আলোচনা কৰিলোঁ। লগতে উপকৃতি সম্পৰ্কে এটি টোকাও উল্লেখ কৰা হ'ল।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।
২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।
৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।
৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
৫) গোস্বামী, গোলোকচন্দ্ৰ (২০০৩); *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
৬) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৬); *অসমীয়া বৰ্ণপ্ৰকাশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
৭) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৮) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৯) পাদুন, নাহেন্দ্র (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১০) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১১) ভৰালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) বৰা, লীলাৱতী শইকীয়া (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

১৪) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

১৫) Crystal, D. (1997). *The Encyclopedia of Language*; Cambridge: CUP.

১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৭) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

১৮) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd..

১৯) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২০) Matthews, P. H. (2002). *Morphology.* Cambridge: CUP.

২১) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.

৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জীৱ বিদ্যাৰ পৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ মুক্তৰূপ আৰু বদ্ধৰূপ।

৩ নং প্রশ্নৰ উত্তৰ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্রধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ আৰু (খ) যৌগিক শব্দ।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রাকৃতি নির্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বর্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অর্থবাহক ৰূপবোৰক শ্রেণীবদ্ধ কৰা হয়। শ্রেণীবদ্ধ হোৱা ৰূপ বা

আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। প্ৰয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে নে নোৱাৰে; অৰ্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়।



৪.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) মুক্তৰূপবোৰক কেইটা আৰু কি কি ভাগত ভগোৱা হৈছে?

খ) বদ্ধৰূপ কাক বোলে?

গ) শব্দ বুলি ক'লে কি বুজে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

খ) ৰূপ আৰু প্ৰাকৃতিৰ মাজত কোনো পাৰ্থক্য নাই।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপ বা আকৃতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অক্ষৰ মানে কি বুজাই লিখক।

প্ৰশ্ন ৩ ঃ উপকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপতত্ত্ব বুলিলে কি বুজায়? ভাষা একোটাত প্ৰয়োগ হৈ থকা প্ৰাকৃতি বা ৰূপবোৰক কি কি শ্ৰেণীত ভগাব পাৰি বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শব্দ মানে কি? শব্দৰ শ্ৰেণীবিভাজন কৰি সেই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ .....প্ৰশ্ন দিব পাৰিলে দি দিব.....

প্ৰশ্ন ৪ ঃ .....

*** ***** ***